# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 02-01-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

----------------------------

## *Headlines*

১। শোণিতপুৰ জিলাত মুখ্যমন্ত্ৰীৰ উদ্যমিতা পুঁজিৰ চেক বিতৰণ কাৰ্যসূচী। কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

২। ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা ভূমিত প্ৰশাসনৰ উচ্ছেদ অভিযান।

৩। সত্ৰৰ উদাসীন ভকতসকললৈ বিত্তীয় সাহায্য প্ৰদান আঁচনিৰ শুভাৰম্ভ।

আৰু

৪। কাছাৰৰ কাটিগড়াত দুটি শিশুসহ ৯ জন ৰোহিংগিয়াক আটক।

ooooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহিলা সৱলীকৰণৰ উল্লেখনীয় পদক্ষেপ হিচাপে আজি শোণিতপুৰ জিলাৰ বৰচলা বিধানসভা সমষ্টিৰ ৩০ হাজাৰ ৬৫৫ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰিব। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীগৰাকীয়ে ¯ ৩৫২ কোটি টকা ব্যয়সাপেক্ষ জিলাখনৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ ১১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা সৰকাহাট মিনি ষ্টেডিয়াম উদ্বোধন কৰাৰ লগতে তেজপুৰ চিকিৎসা মহাবিদ্যালয় চৌহদত ছুপাৰ স্পেচিয়েলিটি হাস্পতাল আৰু শোণিতপুৰৰ নিজ-বিহগুৰিত কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে বৰচলাৰ ঠেলামৰা ঘাটগাঁৱৰ ৰাজহুৱা খেলপথাৰত আয়োজিত অনুষ্ঠানত বৰচলাৰ বিধায়ক গণেশ কুমাৰ লিম্বু উপস্থিত থাকিব।

ooooooo

দৰং জিলাৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ ৩৯ হাজাৰ ৬৬৫ গৰাকী আত্মসহায়ক গোটৰ মহিলাৰ মাজত কিছু সময়ৰ পাছতে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰা হ'ব। ছিপাঝাৰৰ ৰাম গাঁৱত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া, বিধায়ক পৰমানন্দ ৰাজবংশী উপস্থিত থাকিব।

ooooooo

হোজাই জিলাৰ ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা ভূমিত প্ৰশাসনৰ উচ্ছেদ অভিযান অব্যাহত আছে। পুৱাৰ ভাগত উচ্ছেদ অভিযানত একাংশ লোকে বাধাৰ সৃষ্টি কৰে যদিও অতিৰিক্ত আৰক্ষীৰ দল উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

এই অভিযানৰ জৰিয়তে অঞ্চলটোত ৩০-৪০ বছৰ ধৰি অবৈধভাৱে বাস কৰি থকা এহেজাৰ ২৫০ টা পৰিয়ালৰ ভিতৰত এহেজাৰ ৯৮টা পৰিয়ালক উচ্ছেদ কৰা হ'ব। বন বিভাগে বনাঞ্চলখনত জৰীপ চলাই কেইবাহাজাৰ বিঘা ভূমি অবৈধ দখলকাৰীৰ কবলত থকাৰ তথ্য লাভ কৰাৰ পাছত এহেজাৰ ২০০ৰো অধিক দখলকাৰীলৈ জাননী প্ৰেৰণ কৰিছিল। ইয়াৰে ১৫০ টা পৰিয়ালে সকাহ বিচাৰি উচ্চ ন্যায়ালয়ৰ কাষ চপাত সাময়িকভাৱে এই পৰিয়ালকেইটাৰ ভূমি উচ্ছেদ স্থগিত ৰখা হৈছে। উচ্ছেদ অভিযানত ৫৩ খন বুলডজাৰ ব্যৱহাৰ কৰা হৈছে। উচ্ছেদথলীত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে কেইবা শতাধিক আৰক্ষী আৰু চি আৰ পি এফৰ জোৱান মোতায়েন কৰা হৈছে।

তদুপৰি জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ উপৰি কেইবাগৰাকী শীৰ্ষ বিষয়াই পৰিস্থিতি পৰ্যবেক্ষণ কৰি আছে। উচ্ছেদ অভিযান সন্দৰ্ভত হোজাই জিলাৰ ৰাজহ বিভাগৰ অতিৰিক্ত আয়ুক্ত বনি ইনাম ছাদ্দাৰে আমাৰ সংবাদদাতাৰ আগত এইদৰে কয় –

বাইট

০০০০০০০

সত্ৰৰ উদাসীন ভকতসকললৈ বিত্তীয় সাহায্য প্ৰদান আঁচনিৰ আজি শুভাৰম্ভ কৰা হয়। এই আঁচনিৰ অধীনত তেওঁলোকক মাহিলী এহেজাৰ ৫০০ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত অনুষ্ঠানত আঁচনি মুকলি কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে ৰাজ্যৰ সত্ৰৰ ভকতসকলৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক অৱদানৰ স্বীকৃতিস্বৰূপে এই আঁচনিখন প্ৰৱৰ্তন কৰা হৈছে।

বাইট (চি এম)

অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকে।

০০০০০০০

কাছাৰৰ কাটিগড়াত আৰক্ষীয়ে আজি পুনৰ ৯ জন ৰোহিংগিয়াক আটক কৰে। পশ্চিম কাটিগড়াৰ কালাইনচ'ৰাত আৰক্ষীৰ তালাচীৰ সময়ত দুটি শিশুসহ ৯ জন অনুপ্ৰৱেশকাৰীক আটক কৰা হয়। আৰক্ষীয়ে প্ৰকাশ কৰা মতে অসম-মেঘালয় সীমান্তৰ মালিদহৰ হৈ বাংলাদেশলৈ যাবলৈ অহা লোককেইজনক একাংশ লোকে ধৰি আৰক্ষীৰ হাতত চমজাই দিয়ে। ধাৰাবাহিক জেৰাৰ অন্তত তেওঁলোক প্ৰকৃততে ম্যানমাৰৰ বাসিন্দা বুলি জানিব পৰা গৈছে। বাংলাদেশৰ এটা শিবিৰত বাস কৰা লোককেইজনে প্ৰায় ৫ বছৰ পূৰ্বে ত্ৰিপুৰা সীমান্তৰে ভাৰতত প্ৰৱেশ কৰি কামৰ সন্ধানত দিল্লীলৈ গৈছিল। আৰক্ষীয়ে তেওঁলোকৰ পৰা ৰাষ্ট্ৰসংঘই জাৰি কৰা শৰণাৰ্থী পত্ৰ উদ্ধাৰ কৰে।

০০০০০০০

ইংৰাজী নৱবৰ্ষৰ কালি পহিলা দিনটোত অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত অসম গ্ৰন্থ মেলাত গ্ৰন্থপ্ৰেমীৰ বিপুল সমাগম দেখা যায়। বিগত ৯ দিনত অসম গ্ৰন্থমেলাত ৪ কোটি ৭০ লাখ টকাৰ গ্ৰন্থ বিক্ৰী হোৱা বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। যোৱা ২৪ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা গ্ৰন্থমেলাৰ প্ৰতি গ্ৰন্থপ্ৰেমীয়ে আশাব্যঞ্জক সঁহাৰি আগবঢ়াইছে বুলি অসম প্ৰকাশন পৰিষদৰ লগতে অন্যান্য পুথি বিক্ৰেতাসকলে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ২০২৫-২৬ বৰ্ষক ৰাজ্য চৰকাৰে গ্ৰন্থবৰ্ষ হিচাপে অভিহিত কৰি অসমৰ বিভিন্ন ঠাইত অসম গ্ৰন্থমেলাৰ আয়োজন কৰিছে। গুৱাহাটীত আয়োজিত অসম গ্ৰন্থমেলাৰ আজি দশম দিনা, বিয়লি প্ৰকাশন পৰিষদৰ জুবিন গাৰ্গ সোঁৱৰণি অস্থায়ী প্ৰেক্ষাগৃহত সাহিত্য আলচ শীৰ্ষক এখন লেখক-পাঠক সমাৰোহৰ আয়োজন কৰা হৈছে। এই সমাৰোহ জ্যেষ্ঠ আৰক্ষী বিষয়া আৰু বিশিষ্ট লেখক নোমল মাহাত্তাই উদ্বোধন কৰিব। অসমীয়া প্ৰতিদিন কাকতৰ মুখ্য সহযোগী সম্পাদক অচ্যুৎ কুমাৰ পাটোৱাৰীয়ে অনুষ্ঠানটো সঞ্চালনা কৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত গ্ৰন্থবৰ্ষ, গ্ৰন্থৰ চাহিদা আৰু ভৱিষ্যত সম্পৰ্কত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত বিশিষ্ট প্ৰকাশক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° সূৰ্যকান্ত হাজৰিকা আৰু লেখক, অনুবাদক মনস্বিনী ৰুণুমী মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০০

অসম আৰু অসমীয়াৰ স্বাৰ্থৰ হকে আজীৱন উদাত্ত কণ্ঠেৰে মাত মাতি জাতীয় চেতনাৰ সঞ্চাৰ কৰা অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীৰ পূণ্যতিথি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। স্বাধীনতা সংগ্ৰামী, কবি,

নাট্যকাৰ, গায়ক, গদ্য লেখক, সংবাদসেৱী ৰায়চৌধুৰীক তেজোদীপ্ত ধ্যান-ধাৰণা আৰু চেতনাৰ সঞ্চাৰকাৰী কৰ্ম আৰু সৃষ্টিৰাজিৰ বাবে অসম কেশৰী উপাধিৰে বিভূষিত কৰা হৈছিল। ১৯৫০ চনত মাৰ্ঘেৰিটাত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত তেওঁ সভাপতিৰ পদ অলংকৃত কৰিছিল। ১৯৬৫ চনত সাহিত্য একাডেমী বঁটাৰে সন্মানিত ৰায়চৌধুৰীয়ে তুমি, বীণা, অনুভূতি, বেদনাৰ উল্কা আদি কাব্যপুথিৰ উপৰি কেইবাখনো নাটক ৰচনা কৰি অসমীয়া সাহিত্যলৈ বৰঙণি আগবঢ়াই গৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দেশপ্ৰেমৰ আদৰ্শৰে সমুজ্জ্বল, অসমীয়া জাতি-সত্তাৰ উত্তৰণৰ অন্যতম মাৰ্গদৰ্শক অসম কেশৰীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে।

বৰপেটাত আজি অসম কেশৰীৰ স্মৃতি দিৱস উপলক্ষে কেইবাটাও অনুষ্ঠান-সংগঠনে শ্ৰদ্ধা নিবেদন কৰে। বৰপেটা চহৰৰ নবীন চন্দ্ৰ বৰদলৈ উদ্যানৰ সমীপত থকা অসম কেশৰীৰ প্ৰতিমূৰ্তিস্থলীত শ্ৰদ্ধাঞ্জলিৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আজি অম্বিকাগিৰি ৰায়চৌধুৰীৰ কবিতাৰ আবৃত্তি প্ৰতিযোগিতাৰো আয়োজন কৰা হয়।

ooooooo

চি এম ফ্লাইট আঁচনিৰ অধীনত স্থানীয় যুৱক-যুৱতীসকলৰ বাবে বিশ্বৰ আন ঠাইত নিয়োগৰ সুযোগ সৃষ্টিৰ উদ্দেশ্যে ডিব্ৰুগড় জিলাত কালি এটা জাপানী ভাষা প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰা হয়। এই কেন্দ্ৰটো ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জাপানীজ শিক্ষণ কেন্দ্ৰৰ দ্বাৰা পৰিচালিত হ'ব। এই কেন্দ্ৰৰ পৰা ভালদৰে জাপানী ভাষা আয়ত্ত কৰি প্ৰমাণপত্ৰ লাভ কৰাসকলে দক্ষ শ্ৰমিক আৰু অন্যান্য ক্ষেত্ৰত ভিজা লাভ কৰি জাপানত নিয়োগৰ যোগ্যতা অৰ্জন কৰিব পাৰিব। উল্লেখযোগ্য যে অসমৰ যুৱক-যুৱতীসকলক বিদেশী ভাষাৰ দক্ষতা বিকাশৰ লগতে কৰ্মক্ষেত্ৰৰ বাবে বহিঃৰাষ্ট্ৰত বিশেষকৈ জাপানত কৰ্ম সংস্থাপনৰ সুযোগ প্ৰদানৰ লক্ষ্যৰে বিগত বৰ্ষৰ ১২ অক্টোবৰত মুখ্যমন্ত্ৰীয়ে চি এম ফ্লাইট আঁচনি মুকলি কৰিছিল।

ooooooo

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত চৰাইদেউ জিলাৰ উন্নয়ন সন্দৰ্ভত জিলাখনৰ আয়ুক্ত ড° নেহা যাদৱৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ চৰাইদেউ জিলাৰ সংবাদদাতা নবুল কোঁৱৰে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

ooooooo

**সমাপ্ত**